**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-11-2024 **Time :** 1205 Hrs.

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা চলি আছে। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিৰ মুঠ ৬৮ খন ভোটগণনা মেজত ভোটগণনা কৰাৰ পূৰ্বে মুঠ ৯ খন মেজত ডাকযোগে অহা বেলট কাকতসমূহ গণনাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পাছত ৮৫ বছৰ ঊৰ্ধৰ বয়সৰ ভোটদাতাসকলে বেলট কাকতত দিয়া ভোটসমূহ গণনা কৰা হয়।

ভোটগণনাৰ বাবে প্ৰায় তিনিশ পঞ্চাছ গৰাকী কৰ্মচাৰীক নিযুক্ত কৰা হৈছে। ভোটগণনা কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ভোটগণনা কেন্দ্ৰসমূহত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

আমালৈ অহা শেহতীয়া খবৰ অনুসৰি বিহালী সমষ্টিত বিজেপিৰ প্ৰাৰ্থীগৰাকী আগবাঢ়ি আছে। দিনৰ ১১ বাজি ৩০ মিনিটৰ খবৰ অনুসৰি সমষ্টিটোত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰ ৬ হাজাৰ ৫১২টা ভোটত আগবাঢ়ি আছে। চিদলী সমষ্টিত ১৪ হাজাৰ ৪৪৫টা ভোটত বিজেপি মিত্ৰজোটৰ অংশীদাৰ ইউ পি পি এলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম আগবাঢ়ি আছে।

লগাওঁ জিলাৰ চামগুৰি সমষ্টিত দিনৰ ১১ বাজি ২০ মিনিটৰ খবৰ অনুসৰি কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইন ৩ হাজাৰ ৭০১টা ভোটত আগবাঢ়ি আছে। বঙাইগাওঁ সমষ্টিত বিজেপি মিত্ৰজোটৰ অংশীদাৰ অসম গণপৰিষদৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰী ১৪ হাজাৰ ২১৫টা ভোটত আগবাঢ়ি আছে।

oooooo

পি এম সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোগান আঁচনিৰ জিলা পৰ্যায়ৰ সমিতিৰ সদস্যসকলৰ ভূমিকা আৰু দায়িত্বসমূহ আলোচনা কৰাৰ উদ্দেশ্যে আজি যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত সকলো সমিতিৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। যোৰহাট জিলাত আদৰ্শ সৌৰ গাওঁ নিৰ্বাচনৰ নিৰ্দেশিকাসমূহৰ বিষয়ে বৈঠকত আলোচনা কৰাৰ লগতে পৌৰ এলেকাত সৌৰ ছাদ স্থাপনৰ সংখ্যা বৃদ্ধি কৰাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰি জিলাখনত আদৰ্শ সৌৰ গাওঁ নিৰ্বাচনৰ ধাৰণা গ্ৰামাঞ্চললৈ সম্প্ৰসাৰণৰ বিষয়েও সভাত পৰিকল্পনা কৰা হয়।

ooooo

অসম ৰাজ্যিক বিদ্যালয় পৰিষদে ২০২৫ চনত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ বাবে অহা ২৫ নৱেম্বৰত প'ৰ্টেল পুনৰ মুকলি কৰিব। সেই অনুসৰি প্ৰ-পত্ৰ পূৰণৰ বাকী থকা সকলো কাম ২৬ নৱেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পৰিষদে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহক আহ্বান জনাইছে। একেদৰে মাচুল আদায়ৰ অন্তিম তাৰিখ ২৭ নৱেম্বৰ নিৰ্ধাৰণ কৰা হৈছে। প্ৰ-পত্ৰ পূৰণৰ দিন পৰৱৰ্তী সময়ত আৰু বৃদ্ধি কৰা নহয় বুলি পৰিষদে স্পষ্টভাৱে জনাইছে। লগতে অফলাইনত কোনোধৰণৰ প্ৰ-পত্ৰ গ্ৰহণ কৰা নহয় বুলি প্ৰকাশ কৰিছে।

oooooo

ৰাজ্যত মহাবিদ্যালয়সমূহত শিক্ষক নিযুক্তিৰ বাবে এতিয়াৰে কেন্দ্ৰীয় লোকসেৱা আয়োগ অথবা অসম লোকসেৱা আয়োগৰ আৰ্হিত পৰীক্ষা অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰে ইতিপূৰ্বে সংশোধন কৰা অসম মহাবিদ্যালয়

কৰ্মচাৰী (প্ৰাদেশিকীকৰণ) আইনৰ অধীনত  এনে ব্যৱস্থা বলৱৎ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মহাবিদ্যালয়সমূহৰ শিক্ষক আৰু কৰ্মচাৰীসকলৰ বাবে নতুন সেৱা নিধিৰ সচৰা সন্দৰ্ভত  শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সৈতে শেহতীয়াকৈ অনুষ্ঠিত অসম কলেজ শিক্ষক সন্থা আৰু অসম কলেজ অধ্যক্ষ পৰিষদৰ এখন বৈঠকত এই বিষয়ে আলোচনা কৰি সিদ্ধান্ত লোৱা হয়। প্ৰাদেশিকীকৃত মহাবিদ্যালয়ৰ শিক্ষক আৰু অনা-শিক্ষক পদৰ নিযুক্তি সম্পৰ্কীয় বিভিন্ন নিয়মৰ সংশোধনীৰে অসম মহাবিদ্যালয় কৰ্মচাৰী (প্ৰাদেশিকীকৰণ) আইন ২০০৫ৰ অধীনত এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিচৰা হৈছে।

oooooooo

ASPTC ANNIVERSIRY/NP (23-11-2024) 12.05

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনিৰ মহাৰজত জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠান আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত অনুষ্ঠিত হ'ব। যোৱা বৰ্ষৰ ২৩ নৱেম্বৰত শিলচৰত উদ্বোধন কৰা মহাৰজত জয়ন্তীখনৰ বছৰজোৰা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান গুৱাহাটীৰ চানমাৰিত অৱস্থিত প্ৰাথমিক শিক্ষক সন্মিলনিৰ শিক্ষক ভৱনৰ সভাকক্ষ আৰু গুৱাহাটী কমাৰ্চ কলেজৰ প্ৰেক্ষাগৃহত এই সন্মিলনিৰ মহাৰজত জয়ন্তী সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। এই জয়ন্তীত অসমৰ শিক্ষক সমাজৰ প্ৰাক্তন বিষয়ববীয়া আৰু বৰ্তমান তথা প্ৰাক্তন শিক্ষামন্ত্ৰীসকলৰ সৈতে এটা আলোচনাৰ আয়োজন কৰা হৈছে।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে।  অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ'ত থকা আলোচকসকলৰ সৈতে যুক্ত হ'ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।